অধ্যায় ৬ ঃ ভাৰতত জনসম্পর্কৰক্ষী সংস্থাসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ ভাৰতীয় জনসম্পর্ক সমাজ
৬.৪ ভাৰতীয় জনসম্পর্ক পৰিষদ
৬.৫ ভাৰতীয় জনসম্পর্ক পৰামর্শদাতা সস্থা
৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৭ অধিক জানিবলৈ
৬.৮ অগ্রগতিৰ খতিয়ান
৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আপুনি —

- ভাৰতত জনসম্পর্কৰ স্থিতি সন্দর্ভত ব্যাখ্যা আগবঢ়াব পাৰিব
- জনসম্পর্কৰ প্রসাৰৰ বাবে বিভিন্ন সংস্থাৰ ভূমিকাৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব
- ভাৰতত বলৱৎ হৈ থকা নৈতিক বিধি (Code of Ethics)সমূহ বর্ণনা কৰিব পাৰিব।

৬.২পৰিচয়

এই অধ্যায়টি পঢ়ি আপুনি জানিব পাৰিব যে ৰাজহুৱা স্বার্থৰ সৈতে জড়িত থকা বিভিন্ন সেৱাৰ প্রসাৰৰ ক্ষেত্রত বিভিন্ন বৃত্তিজীৱী সংস্থা জড়িত হৈ আছে। বহুৰ বহুৰ ধৰি কার্যক্ষম হৈ থকা এই সংস্থাসমূহ সমগ্র বিশ্বজুৰি ক্রমাৎ শক্তিশালী আৰু ক্ষমতাশালী হৈ পৰিছে। এই জনসম্পর্ক সংস্থাসমূহে কোনো অনুষ্ঠান-প্রতিষ্ঠানৰ সদস্য তথা সম্প্রদায়বোৰৰ বৃহত্তৰ স্বার্থ ৰক্ষাৰ বাবে নির্দ্ধাৰণ কৰা লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'ব পৰাকৈ উপযুক্ত ব্যৱস্থা গ্রহণ কৰাৰ লগতে এখন উমৈহতীয়া মঞ্চ প্রদান কৰে। এই সংস্থাসমূহে অর্হতা,কার্যকলাপ আৰু আচৰণৰ মান নিৰূপণ, উন্নতকৰণ, পৰিকল্পনা বলৱৎকৰণ আৰু ভাৰসাম্য ৰক্ষাৰ বাবে কাম কৰে। জনসম্পর্কৰক্ষী অনুষ্ঠানে জনসাধাৰণ আৰু বৃত্তিজীৱী লোকসকলৰ মাজত থকা ব্যৱধান দুৰ কৰাৰো প্রয়াস কৰে। বৃত্তিজীৱী সস্থাসমূহ নিয়ামক অথবা প্রসাশনিক সংস্থা নহ'বও পাৰে। ই নিয়োগকর্তা অনুষ্ঠান-প্রতিষ্ঠানৰ স্বৰূপ আৰু পৰিভাষাৰ ওপৰত নির্ভৰশীল।

জনসম্পর্ক সংস্থা এটাত যোগদান কৰাটো ইয়াৰ সৈতে জড়িত বৃত্তিজীৱীসকলৰ বাবে কর্মসংস্থাপন লাভৰ এটা গুৰুত্বপূর্ণ উপাদান। এনে বৃত্তিজীৱী সংস্থাৰ অংশ হৈ জনসম্পর্ক

বিষয়াসকলে নিজৰ যোগাযোগ সম্প্রসাৰণ কৰাৰ লগতে একেটা ক্ষেত্রৰ আন বৃত্তিজীৱী লোকসকলৰ সৈতে সম্পৰ্ক গঢ়িব পাৰে। লগতে তেওঁলোকে নতুন সুযোগৰ সন্ধান তথা শেহতীয়া ঘটনাৰাজি সন্দর্ভত জ্ঞান আহৰণ কৰাৰ উপৰি উদ্যোগটোৰ ন ন দিশ সন্দর্ভত অৱগত হ'ব পাৰে।

ৰীড্ছৰ 'ডিক্সনাৰী অব পাব্লিক ৰিলেছনছ্ অৰ্গেনাইজেশ্যন'ৰ মতে সমগ্র বিশ্বৰ প্রায় ২০০ টা ৰাষ্ট্রীয় আৰু আঞ্চলিক জনসম্পৰ্ক সংস্থা আছে। তাৰ ভিতৰত আমেৰিকা জনসম্পৰ্ক সমিতি (PRSA), আন্তঃৰাষ্ট্রীয় জনসম্পৰ্ক সন্থা (IPRA) আৰু ভাৰতীয় জনসম্পৰ্কৰক্ষীসমাজ অন্যতম।

সংবিধান প্রণয়ন আৰু প্রথম আন্তঃৰাষ্ট্রীয় জনসম্পৰ্ক পৰিষদ গঠনেৰে ১৯৫৫ চনৰ পহিলা মে'ত লণ্ডনত আন্তঃৰাষ্ট্রীয় জনসম্পৰ্ক সন্থাই আনুষ্ঠানিকভাৱে প্রতিষ্ঠা লাভ কৰিছিল। বৰ্তমান এই সন্থাই সমগ্র বিশ্বজুৰি জনসম্পৰ্ক বৃত্তিজীৱী ব্যক্তিসকলৰ আন্তঃৰাষ্ট্রীয় মঞ্চ গঠন কৰিছে। সন্থাই এই বৃত্তিৰ সৈতে জড়িত সকলো খণ্ডত তথ্যৰ আদান-প্রদান আৰু সহযোগিতা স্থাপনৰ বাবে কাম কৰে। লগতে সন্থাই বৃত্তিগত বিকাশৰ সুযোগো সৃষ্টি কৰে। ভাৰত এই সন্থাৰ সৈতে সক্রিয়ভাৱে জড়িত হৈ আছে। ১৯৬৮ চনৰ ২১ এপ্রিলত ভাৰতীয় জনসম্পৰ্ক সমিতিয়ে আন্তঃৰাষ্ট্রীয় নৈতিক বিধিসমূহ গ্রহণ কৰে। সেয়েহে ২১ এপ্রিলৰ দিনটো ভাৰতত ৰাষ্ট্রীয় জনসম্পৰ্ক দিৱস হিচাপে পালন কৰা হয়।

ভাৰতত জনসম্পৰ্কৰ দিশটো চোৱা চিতা কৰাৰ বাবে কেইটামান প্রধান বৃত্তিজীৱী সংস্থা আছে। সেইকেইটা হ'ল-ভাৰতীয় জনসম্পৰ্কৰক্ষী সমাজ (PRSI), ভাৰতীয় জনসম্পৰ্ক পৰিষদ (PRCI) আৰু ভাৰতীয় জনসম্পৰ্ক পৰামর্শদাতা সন্থা (PRCAI) । পৰৱর্তী শিতানবোৰত আমি এই সন্থাসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম।



চিন্তা চর্চ কৰক ৬.১

আন্তঃৰাষ্ট্রীয় জনসম্পৰ্ক সন্থাৰ লেখিয়া আন্তর্জাতিক পেছাগত জনসম্পৰ্ক সন্থাসমূহৰ ভূমিকা আৰু কাম-কাজসমূহ বিচাৰ কৰা।

৬.২.১ ভাৰতত জনসম্পৰ্কৰ পৰিৱেশ

স্বাধীনতাৰ পাছত বিশেষকৈ ১৯৫০ চনৰ সময়চোৱাত ভাৰতত ব্যাপক ঔদ্যোগিক পৰিৱর্তন সাধন হয়। দ্বিতীয় অধ্যায়ত ভাৰতত জনসম্পৰ্কৰ ইতিহাস সন্দর্ভত বিতংভাৱে ব্যাখ্যা কৰা হৈছিল। জনসাধাৰণে বিদেশী উদ্যোগৰ সম্প্রসাৰণক আদৰণি জনোৱা নাছিল। বার্মা তেল কোম্পানীৰ দৰে তৈল প্রতিষ্ঠান, নেষ্টলে, ব্রিটানিয়া আদি বিদেশী কোম্পানীৰ আগমন ঘটিছিল। এই কোম্পানীসমূহৰ বাবে প্রতিকূল জনমত সম্ভাব্য ভাবুকি হৈ ঠিয় দিছিল। ইয়াতেই জনসম্পৰ্কই গুৰুত্বপূর্ণ ভূমিকা ল'বলগীয়া হৈছিল।

আনহাতে ভাৰতীয় কোম্পানীসমূহৰ ভিতৰত টাটা গ্রুপে ইয়াৰ সম্ভাৱনাসমূহক বাস্তৱ ৰূপ দি চৰকাৰ আৰু ভাৰতীয় নাগৰিকসকলৰ সৈতে এটা সৌহাদ্যপূর্ণ সম্পৰ্ক

স্থাপন কৰিবলৈ সক্ষম হৈছিল। প্ৰাক স্বাধীনতাৰ সময়চোৱাত ৰজ্জুছজ্জু চনত টাটা গ্ৰুপে প্ৰতিষ্ঠা লাভ কৰিছিল। ১৯৪৩ চনত টাটাই ইয়াৰ প্ৰথমটো জনসম্পৰ্ক শাখা মুকলি কৰে। জনসম্পৰ্কৰ দক্ষতাক উদগনি যোগোৱা তথা প্ৰসাৰৰ উদ্দেশ্যে ১৯৫৮ চনত ভাৰতীয় জনসম্পৰ্কৰ বাটকটীয়া কালি মোডী আৰু ফাৰুক মোল্লাৰ দৰে ব্যক্তিৰ প্ৰচেষ্টাত জনসম্পৰ্ক সন্থা নামৰ পেছাদাৰী এটা সন্থা গঠন কৰা হয়। ইয়ে ভাৰতৰ প্ৰথমটো ৰাষ্ট্ৰীয় জনসম্পৰ্ক সংস্থা, ভাৰতীয় জনসম্পৰ্ক সমিতিৰ জন্ম দিয়ে।

৬.৩ ভাৰতীয় জনসম্পৰ্ক সমিতি

পেছাগতভাৱে জনসম্পৰ্ক বৃত্তি গ্ৰহণ কৰাসকলৰ ৰাষ্ট্ৰীয় সন্থা ভাৰতীয় জনসম্পৰ্ক সমিতিয়ে ১৯৫৮ চনত প্ৰতিষ্ঠা লাভ কৰে। জনসম্পৰ্ককক এটা বৃত্তি হিচাপে স্বীকৃতি দিয়াৰ বিষয়টোৰ প্ৰসাৰ আৰু এটা নীতিগত ব্যৱস্থাপনা বিষয়ক কাৰ্য হিচাপে জনসম্পৰ্কৰলক্ষ্য আৰু সম্ভাৱনাসমূহৰ বিভিন্ন দিশ নিৰূপন কৰি জনসাধাৰণৰ মাজলৈলৈযোৱাই আছিল এই সমিতি গঠনৰ মূল উদ্দেশ্য। পূৰ্বৰ অধ্যায়ত জনসম্পৰ্কই কিদৰে যিকোনো এটা সংস্থা অথবা প্ৰতিষ্ঠানতৰ পৰিচালনা বিষয়ক কাৰ্যাৱলীৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে, এই বিষয়ে আলোচনা কৰা হৈছে। সমিতিৰ স্মাৰকপত্ৰত তলত উল্লেখ কৰা বিষয়সমূহক মুখ্য উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হৈছে—

(ক) জনসম্পৰ্কৰ এটা বৃত্তি হিচাপে স্বীকৃতি প্ৰদানৰ বিষয়টোৰ প্ৰসাৰ।

(খ) জনসম্পৰ্কৰ পেছাদাৰী ব্যক্তিসকলৰ উদ্দেশ্য, সম্ভাৱনা আৰু কাৰ্যকলাপ সন্দৰ্ভত সম্যক জ্ঞান দিব পৰাকৈ জনসাধাৰনক উপযুক্ত ব্যাখ্যা আগবঢ়োৱাৰ লগতে ইয়াৰ প্ৰসাৰ ঘটোৱা।

(গ) জনসম্পৰ্ক বিষয়াসকলৰ মাজত উচ্চমান ৰক্ষাৰ বিষয়টোৰ প্ৰসাৰ।

(ঘ) জনসম্পৰ্ক বিষয়াসকলৰ মূল্যবোধ সন্দৰ্ভত ধাৰণাৰ বিনিময় তথা অভিজ্ঞতা আৰু তথ্যৰ আদান-প্ৰদানৰ গুৰুত্ব আৰোপ।

(ঙ) জনসম্পৰ্কৰ অধ্যয়ন আৰু গৱেষণাৰ বিকাশ সাধন।

১৯৬৬ চনলৈকে সমিতিখন অনানুষ্ঠানিক সংস্থা হিচাপে পৰিগনিত হৈছিল যদিও সেই বছৰটোতে ইণ্ডিয়ান ছ'চাইটিজ এক্ট XXVI, ১৯৬১ ৰ অধীনত হৈ পঞ্জিয়ন ভূক্ত হয়। ইয়াৰ মূখ্য কাৰ্যালয় মুম্বাইত। ১৯৬৬ চনৰ পৰা ১৯৬৯ চনলৈ কালি এইচ. মোডী পি আৰ এছ আইৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৯৬৯ চনলৈকে মুম্বাই, দিল্লী, চেন্নাই আৰু ক'লকাতাত ইয়াৰ আঞ্চলিক সমিতি গঠন কৰা হয়। ১৯৬৫ চনত আন এটা জনসম্পৰ্ক সংস্থা পাব্লিক ৰিলেছনচ চাৰ্কেল গঠন কৰা হৈছিল। কিন্তু ১৯৬৮ চনত পি আৰ এছ আইক শক্তিশালী কৰাৰ স্বাৰ্থত এ সংস্থাটো ভংগ কৰি পি আৰ এছ আইৰক'লকাতা সমিতি গঠন কৰা হয়। আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক সন্থাই ইতিমধ্যে পি

আৰ এছ আইক স্বীকৃতি প্ৰদান কৰিছে। পি আৰ এছ আই, জনসম্পৰ্ক আৰু যোগাযোগব্যৱস্থাপনাৰ আন্তঃৰাষ্ট্ৰীয় মিত্ৰজোঁটবো প্ৰতিষ্ঠাপক সদস্য। পি আৰ এছ আইৰ বৰ্তমান ৩০ খন সমিতি আৰু ৩ হাজাৰ সদস্য আছে।

জনসম্পৰ্কৰ সৈতে পেছাগতভাৱে অথবা অন্য উপায়েৰে জড়িত যিকোনো ব্যক্তিয়ে ইয়াৰ সদস্য হ'ব পাৰে। সংগঠিত জনসম্পৰ্কত বিশ্বাসী কোম্পানী, প্ৰতিষ্ঠান অথবা সস্থাক জড়িত কৰোৱাৰ বাবে কৰ্পৰেট সদস্যৰ এটা বিশেষ শ্ৰেণীত গঠন কৰা হয়। জনসম্পৰ্কৰ কাৰ্যকলাপসমূহত অংশীদাৰিত্ব বৃদ্ধিৰ লক্ষ্যৰে সহযোগী আৰু ছাত্ৰ-ছাত্ৰী শাখাত ভোটাধিকাৰ প্ৰদান নকৰাকৈ কেৱল পঞ্জীয়নৰ ব্যৱস্থা কৰা হয়।

সদস্যভুক্তিৰ বাবে দাখিল কৰা আবেদন পত্ৰসমূহ আঞ্চলিক সমিতিসমূহে আবেদন গ্ৰহণ ৰু শ্ৰেণীবিভাজন সন্দৰ্ভত প্ৰয়োজনীয় পৰামৰ্শসহ ৰাষ্ট্ৰীয় পৰিষদলৈ প্ৰেৰণ কৰে। আঞ্চলিক সমিতিসমূহে আবেদন পত্ৰসমূহ ৰাষ্ট্ৰীয় পৰিষদৰ সচিব প্ৰধানলৈ বিবেচনাৰ বাবে প্ৰেৰণ কৰে।

৬.৩.১ প্ৰথম সৰ্বভাৰতীয় জনসম্পৰ্ক সন্মিলন

১৯৬৮ চনৰ ২১ এপ্ৰিলত নতুন দিল্লীত প্ৰথম সৰ্বভাৰতীয় জনসম্পৰ্ক সন্মিলন অনুষ্ঠিত হৈছিল। এই সন্মিলনত দেশৰ জনসম্পৰ্ক বিষয়াসকলে জনসম্পৰ্কৰ ভূমিকা আৰু প্ৰসাৰৰ বিষয়ে বিতংকৈ আলোচনা কৰিছিল। সন্মিলনৰ মুল বিষয়বস্তু আছিল 'পেছাদাৰী দৃষ্টিভংগী'। তেতিয়াৰেপৰা পি এছ আৰ আয়ে ১৯৮২ চনৰ বিশ্ব জনসম্পৰ্ক সন্মিলনৰ মুল বিষয়বস্তু আছিল 'পাৰস্পৰিক নিৰ্ভৰশীল বিশ্ব'। ১৯৯৮ চনৰ জানুৱাৰী মাহত ক'লকাতাত প্ৰথম এছিয় প্ৰশান্ত জনসম্পৰ্ক সমিতিৰ সন্মিলন অনুষ্ঠিত হৈছিল। ২০০২ চনত বাংগালোৰত আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক সন্মিলনৰ আয়োজন কৰা হৈছিল।

প্ৰতিবছৰে আয়োজন কৰা সন্মিলনৰ দুটা মুখ্য উদ্দেশ্য হ'ল—

১। জনসম্পৰ্কৰ সৈতে অপৰিচিত বা ইয়াক প্ৰয়োগ নকৰা প্ৰতিষ্ঠান সমূহৰ বাবে জনসম্পৰ্কক পৰিচালনাকেন্দ্ৰিক শিকনী হিচাপে ইয়াৰ প্ৰসাৰ ঘটোৱা।

২। দেশৰ জনসম্পৰ্কৰ ক্ষেত্ৰখনত জনসম্পৰ্ক বিষয়াসকলৰ দক্ষতা প্ৰদৰ্শন কৰি পেছাদাৰী ক্ষমতা বৃদ্ধি কৰা। ইয়াৰ ফলত জনসম্পৰ্কৰ সহযোগী বৃত্তি যেনে সাংবাদিকতা আৰু বিজ্ঞাপনৰসৈতে জড়িত প্ৰতিভাশালী লোকসকলক আকৰ্ষিত কৰি সদস্যৰসংখ্যা বৃদ্ধি কৰিব পৰা যায়।

৬.৩.২ ৰাষ্ট্ৰীয় জনসম্পৰ্ক দিৱস

সৰ্বভাৰতীয় ৰাষ্ট্ৰীয় জনসম্পৰ্ক সন্মিলন অনুষ্ঠিত কৰা দিনটোতেই অৰ্থাৎ চৰ এপ্ৰিলৰ দিনটোত জনসম্পৰ্ক দিৱস পালন কৰা হয়। জনসম্পৰ্কৰ কাম-কাজ আৰু ইয়াৰ সৈতে

জড়িত ব্যক্তিসকলৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰি এই দিৱস পালন কৰা হয়। বিভিন্ন পক্ষৰ মাজত সৌহাদ্যপূর্ণ সম্পর্ক ৰক্ষাকৰাৰ ক্ষেত্রত এই সংস্থা আৰু ইয়াৰ সৈতে জড়িত ব্যক্তিসকলে গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। দেশৰ উন্নয়নৰ ক্ষেত্রত ইয়াৰ গুৰুত্ব অপৰিসীম। প্রতিবছৰে বিশেষ কিছুমান বিষয়বস্তু লৈ তাৰ ভিত্তিত বিভিন্ন কার্যসূচী গ্রহণ কৰা হয়।

৬.৩.৩ নৈতিক বিধি

প্রথম সর্বভাৰতীয় জনসম্পর্ক সম্মিলনত পি আৰ এছ আয়ে জনসম্পর্কৰ আন্তঃৰাষ্ট্রীয় নৈতিক বিধিসমূহ গ্রহণ কৰিছিল। সমিতিৰ প্রতিগৰাকী সদস্যই এই বিধিসমূহ মানি চলাৰ প্রয়াস কৰিব লাগে। বিধিসমূহ এনে ধৰণৰ-

১। মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ অধীনত ব্যক্তিৰ সর্বোচ্চ শিখৰত উপনীত হোৱা তথা অপৰিহার্য অধিকাৰসমূহ পূর্ণ ৰূপত উপভোগ কৰিব পৰাকৈ নৈতিক আৰু সাংস্কৃতিক দিশত সফলতা অর্জনৰ ক্ষেত্রত বৰঙনি আগবঢ়াব লাগে।

২। প্রয়োজনীয় তথ্য পাতিসমূহ বিনামূলীয়াকৈ যোগান ধৰাৰ বাবে যোগাযোগৰ মাধ্যম আৰু চেনেলৰ ব্যৱস্থা কৰিব লাগে যাতে গোটৰ প্রতিজন সদস্যই অনুভৱ কৰে যে, তেওঁলোকক তথ্যৰ যোগান ধৰি থকা হৈছে। ইয়াৰ ফলত প্রতিজন সদস্যৰ মনত নিজৰ ব্যক্তিগত অংশগ্রহণৰ লগতে দায়বদ্ধতা সন্দর্ভত সজাগতা বৃদ্ধি পাব আৰু আন সদস্যসকলৰ সৈতে ঐক্যৰ মনোভাৱ সুদৃঢ় হ'ব।

৩। যিকোনো পৰিস্থিতিয়ে এনে আচৰণ কৰিব লাগে যাতে সম্পর্কলৈ অহা ব্যক্তিসকলৰতেওঁৰ ওপৰত আহা আৰু বিশ্বাস অটুট থাকে। এটা কথা সদায় মনত ৰখা উচিত যে, তেওঁৰ বৃত্তি আৰু জনসাধাৰণৰ মাজৰ সম্পর্কৰ বাবে তেওঁৰ ব্যক্তিগত আচৰণেও প্রভাৱপেলাব পাৰে। তেওঁৰ ব্যক্তিগত আৰু ৰাজহুৱা উভয় আচৰণক লৈ মুল্যাংকন হ'ব পাৰে।

প্রতিজন সদস্যই মানি চলিব লাগে—

১) পেছাগত কর্তব্য পালন কৰিবলৈ যাওতে নৈতিক আদর্শ আৰু মানৱ অধিকাৰৰ সার্বজনীন ঘোষণাপত্রৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে।

২) মানৱীয় মর্যাদা অক্ষুন্ন ৰাখি প্রতিগৰাকী ব্যক্তিৰ বিচাৰ কৰাৰ অধিকাৰক গুৰুত্ব দিব লাগে।

৩) সঁচা অর্থত আলোচনাৰ বাবে নৈতিক, মনস্তাত্বিক আৰু বৌদ্ধিক পৰিৱেশৰ সৃষ্টি কৰিব লাগে আৰু সকলো পক্ষকে নিজৰ মতামত আগবঢ়োৱাৰ সুযোগ দিব লাগে।

৪) যিকোনো পৰিস্থিতিতে এনে অভিব্যক্তিৰে কাম কৰিব লাগে যাতে ইয়াৰ সৈতে জড়িত পক্ষসমূহৰ সংশ্লিষ্ট স্বার্থ, সংস্থাৰ স্বার্থ আৰু জনসাধাৰণৰ স্বার্থ সুৰক্ষিত হয়।

৫) জড়িত ব্যক্তিসকলৰ লগতে নিয়োগকর্তাৰ আস্থা সকলো সময়তে অটুট ৰখাৰ উদ্দেশ্য যিকোনো পৰিস্থিতিতেনিজৰ দায়ৱদ্ধতা আৰু প্রতিশ্রুতিবদ্ধতা প্রদর্শন কৰি সত্যনিষ্ঠাৰে কাম কৰিব লাগে। ইয়াৰ ফলত তেওঁৰ কার্যৰদ্বাৰা প্রভাৱিত হ'ব পৰা জনসাধাৰণৰো আস্থা অক্ষুণ্ণ থাকিব।

বিৰত থাকিব লাগে—

১) অন্য প্রয়োজনৰ তাগিদাত সত্যক গৌন জ্ঞান কৰিব নালাগে

২) প্রতিষ্ঠিত তথা সুনিশ্চিত সত্যৰ ওপৰত ভিত্তি কৰিব নোৱাৰা তথ্য প্রচাৰ কৰিব নালাগে।

৩) মানৱীয় মর্যাদা আৰু সত্যনিষ্ঠাৰ ওপৰত আঘাত হানিব পৰা অনৈতিক অথবা অসৎ কার্যকলাপত জড়িত হ'ব নালাগে।

৪) অৱচেতন তথা অভিপ্রায়মূলকভাবে কোনো কৌশলপূর্ণ পদ্ধতি অৱলম্বন কৰিব নালাগে য'ত ব্যক্তি এজনে নিজৰ ইচ্ছাশক্তিকদমন কৰিব নোৱাৰে আৰু তেওঁলোকৰ বিৰুদ্ধে হোৱা কার্যকলাপৰ বাবে দায়ৱদ্ধতা অনুভৱ নকৰে।



অগ্রগতি নীৰিক্ষন

প্রশ্ন নং ১ ঃ২১ এপ্রিলৰ দিনটো কিয় ৰাষ্ট্রীয় জনসম্পর্ক দিৱস হিচাপে পালন কৰা হয়?

.....

.....

.....

প্রশ্ন নং ২ ঃ পি আৰ এছ আইৰ সদস্য কোন হ'ব পাৰে?

.....

.....

.....

প্রশ্ন নং ৩ ঃ পি আৰ এছ আইৰ মুখ্য উদ্দেশ্যসমূহ লিখক।

.....

.....

.....

৬.৪ ভাৰতীয় জনসম্পৰ্ক পৰিষদ

ভাৰতীয় জনসম্পৰ্ক পৰিষদ হ'ল অ-ৰাজনৈতিক আৰু লাভ অৰ্জন নকৰা এটা গুৰুত্বপূৰ্ণ সংস্থা। জনসম্পৰ্ক, যোগাযোগ আৰু বিজ্ঞাপনৰ সৈতে জড়িত পেছাদাৰী লোকসকলৰ সংস্থা ভাৰতীয় জনসম্পৰ্ক পৰিষদ। ভাৰতত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা যোগাযোগ আৰু জনসম্পৰ্কৰ জনপ্ৰিয়তাক লৈ সজাগতা বৃদ্ধিৰ বাবে পি আৰ চি আয়ে কাম কৰে। ২০০০ চনৰ আৰম্ভনিতে জনসম্পৰ্কৰ এগৰাকী বিশিষ্ট ব্যক্তি এন ডি ৰাজপালে আছিল ইয়াৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। বৰ্তমান পৰিষদৰ সন্মানীয় অধ্যক্ষ হ'ল এম বি জয়ৰাম।

কৰ্ণাটক ছ'চাইটিজ এক্ট, ১৯৬০ ৰ অধীনত পঞ্জীয়নভূক্ত পি আৰ চি আইৰ ৰাষ্ট্ৰীয় মুখ্য কাৰ্যালয় বাংগালোৰতঅৱস্থিত ভাৰতৰ ইয়াৰ ৩২ খন সমিতি আছে। জনসম্পৰ্ক, কোম্পানী যোগাযোগ ব্যৱস্থা, বিজ্ঞাপন, ব্ৰেণ্ড পৰিচালনা আৰু বিদ্যায়তনিক ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰজয় পযচ্ছায়ত ধাৰণাৰ বিনিময়ৰ বাবে জনসম্পৰ্ক আৰু যোগাযোগৰ সৈতে জড়িত লোকসকলৰ বাবে পি আৰ চি আই যোৱা দশকটোতএটা অতি সফল আৰু গুৰুত্বপূৰ্ণ মাধ্যম তথা মঞ্চ হিচাপে পৰিগনিত হৈছে। সংযুক্ত আৰৱ এমি�ৰেটছত সমিতি গঠন কৰাৰ লগতে অষ্ট্ৰেলিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইউৰোপত শাখা স্থাপনৰবাবে কাম কৰি থকা পিআৰ চি আই বৰ্তমান আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। পি আৰ চি আয়ে এতিয়ালৈকে ১২ খন আন্তঃ ৰাষ্ট্ৰীয় সন্মিলন আৰু ৫ খন আন্তঃৰাষ্ট্ৰীয় বৈঠক অনুষ্ঠিত কৰিছে। পি আৰ চি আয়ে লগতে জনসম্পৰ্ক আৰু যোগাযোগৰ পৃথিৱীখনৰ অস্কাৰসদৃশ চানক্য বঁটা, পি আৰ হল অৱ ফেম এৱার্ড, কৰ্পৰেট ক'লেটাৰেল এৱার্ড আদি বহু সন্মানীয় বঁটা প্ৰদান কৰে। ভাৰতৰ আগশাৰীৰ মহানগৰীসমূহত অনুষ্ঠিতগোলকীয় সন্মিলনসমূহত প্ৰতি বছৰে পি আৰ চি আয়ে শতাধিক সফল ব্যক্তিক স্বীকৃতি প্ৰদান কৰে। প্ৰথমখন গোলকীয় সন্মিলন ২০০৭ চনত বাংগালুৰুতঅনুষ্ঠিত হৈছিল।

২০১৩ চনত পি আৰ চি আয়ে ইয়াৰ যুৱ শাখা-য়ং কমিউনিকেটৰছ ক্লাৰ (YCC) গঠন কৰিছিল। দেশৰ প্ৰতিখন সমিতিৰ অধীনতে এনে ক্লাৱ গঠন কৰা হৈছিল। বিভিন্ন মাধ্যম আৰু ব্যৱস্থাপনাৰ সৈতে জড়িত ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগটোৰ বিষয়ে সম্যক জ্ঞান আহৰণৰ ক্ষেত্ৰত এই মঞ্চই এটা সুযোগ প্ৰদান কৰে। বিভিন্ন কৰ্মশালা, আলোচনাচক্ৰ, প্ৰতিযোগিতা আৰু উদ্ভাৱনমূলক অনুষ্ঠান আৰু মহোৎসৱৰ মাধ্যমেৰে প্ৰতিষ্ঠিত সংসদ মাধ্যমৰ ব্যক্তিসকলৰ সৈতে মত বিনিময়ৰ পাছত ছাত্ৰ-ছাত্ৰীসকল জনসম্পৰ্ক উদ্যোগটোৰ প্ৰতি আকৰ্ষিত হৈ ইয়াত প্ৰৱেশৰ বাবে সাজু হয়। পি আৰচি আয়ে আলোচনাচক্ৰ, সন্মিলন, জ্ঞান মঞ্চ আৰু কৰ্মশালা আদি ইয়াৰ সক্ৰিয় শাখাসমূহত নিয়মীয়াকৈঅনুষ্ঠিত কৰে।

পি আৰ চি আয়ে লগতে (PRapport) নামেৰে এখন ভাৰ্চুৱেল ব্লগ ই আলোচনীও প্ৰকাশ কৰে। আলোচনীমনত জনসম্পৰ্ক আৰু যোগাযোগ উদ্যোগটোৰ শেহতীয়া .. আৰু অন্যান্য দিশসমূহ প্ৰকাশ কৰা হয়। আলোচনী খনৰ ভাৰত, আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা, ইংলেণ্ড, ফ্ৰান্স,পৰ্টুগাল, ৰাছিয়া, আৰৱ, ছিংগাপুৰ আৰু অষ্ট্ৰেলিয়াৰ ৭৫ হাজাৰৰো অধিক ভিউ�ৰাৰ আছে। আন্তঃৰাষ্ট্ৰীয়

পৰ্যায়লৈ সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্য বিশ্ব যোগাযোগ ৰক্ষাকাৰী পৰিষদ (WCC) নামেৰে এখন মঞ্চ গঠন কৰি পি আৰ চি আয়ে সংযুক্ত আৰৱ এমিৰেটছ, শ্ৰীলংকা আৰু বাংলাদেশত ইয়াৰ শাখা মুকলি কৰিছে। পি আৰ চি আয়ে ২৮ অক্টোবৰৰ দিনটো বিশ্ব কমিউনিকেটৰছ দিৱস হিচাপে পালন কৰি আহিছে। ১৯০৬ চনৰ ২৮ অক্টোবৰৰ দিনটোতে আমেৰিকা যুক্তৰাষ্ট্ৰত জনসম্পৰ্কৰ বাটকটীয়া আই ভি লীয়ে বিশ্বৰ প্ৰথমখন প্ৰেছ বিজ্ঞাপ্তি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰিছিল।

৬.৪.১ ভাৰতীয় জনসম্পৰ্ক পৰামৰ্শদাতা সন্থা

দেশৰ ৭ টা শীৰ্ষৰ জনসম্পৰ্ক সংস্থা একত্ৰীকৰণৰ দ্বাৰা ভাৰতীয় জনসম্পৰ্ক পৰামৰ্শদাতা সন্থাৰ (PRCAI) জন্ম দিয়া হৈছিল। জনসংযোগৰ উদীয়মান ব্যক্তিসকলকসমৰ্থন আৰু উৎসাহিত কৰাৰ উদ্দেশ্য ২০০১ চনৰ ৪ অক্টোবৰত (PRCAI) প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল দেশৰ জনসম্পৰ্কৰ সম্ভাৱনাসমূহক উদ্‌গনি যোগোৱা।

এই পদক্ষেপ গ্ৰহণ সংস্থা ৭টা হ'ল—

১। কৰ্পৰেট ভয়চ— ৱেবাৰ শ্ৱেন্‌ডউইক
২। জেনেছিছ বাৰচন মাৰ্ষ্টেলাৰ
৩। হেনমাৰ এমএ ছ এল
৪। টেক্সট ১০০
৫। ওড ৰিলেচন্‌ছ ইণ্ডিয়া
৬। অগিলভি পি আৰ
৭। ২০ ঃ২০ মিডিয়া (বৰ্তমান ২০ ঃ২০ এম এছ এল)

ইংলেণ্ডৰ জনসম্পৰ্ক পৰামৰ্শদাতা সন্থাৰ আৰ্হিত (PRCAI) গঠন কৰা হৈছিল। বৰ্তমান PRCAI কেৱল কেৱল ভাৰতীয় জনসম্পৰ্ক উদ্যোগটোৰ ধ্বজবাহী বানিজ্যিক সন্থাই নহয়, বৰং চৰকাৰ, ৰাজহুৱা সংস্থা, ঔদ্যোগিক সন্থা, বানিজ্য আৰু অন্যান্য যিসকলে জনসম্পৰ্কৰ পৰামৰ্শদাতাৰ সৈতে সংযোজিত হ'ব বিচাৰে, তেওঁলোকৰ বাবেও এখন মঞ্চ হিচাপে সেৱা আগবঢ়ায়। ইয়াৰ অতি শক্তিশালী আঞ্চলিকনেটৱাৰ্কো আছে।

ভাৰত তথা সমগ্ৰ বিশ্বৰ জনসম্পৰ্ক উদ্যোগটোৰ বৃহত্তৰ স্বাৰ্থ তথা বিকাশৰ বাবে এটা উমৈহতীয়া লক্ষ্য আৰু উদ্দেশ্য লৈ কাম কৰা জনসম্পৰ্কৰ পেছাদাৰী ব্যক্তিসকলৰ উদ্যমী আৰু সক্ৰিয় গোটটোক (PRCAI)এ প্ৰতিনিধিত্ব কৰে।

হেলছিংকি ঘোষণাপত্ৰ

জনসম্পৰ্ক কলচালটেন্সি আৰু সহযোগী খণ্ডৰ বাবে PRCAI ৰ সদস্যভুক্তিৰ ক্ষেত্ৰত সন্থাই কৰি দিয়া চৰ্তসমূহ পূৰণ কৰিব লাগিব। লগতে যোগাযোগ আৰু জনসম্পৰ্কৰ ক্ষেত্ৰত PRCAI ৰ আচৰণ বিধি মানি চলিব লাগিব। কনচালটেন্সিৰ বিভিন্ন

ভাগ, ব্যক্তিগত পৰামৰ্শদাতা আৰু যোগাযোগ, বিপনন আৰু চৰকাৰী কাম-কাজ, যিসমূহ জনসম্পৰ্ক কনচালটেন্সিয়ে উমৈহতীয়া সেৱা হিচাপে আগবঢ়ায় তেওঁলোকক PRCAI ৰ সদস্যতা প্ৰদান কৰা হয়।

জনসম্পৰ্কৰ গুৰুত্ব আৰু বৰ্ধিত প্ৰভাৱলৈ চাই আন্তঃৰাষ্ট্ৰীয় যোগাযোগ পৰামৰ্শদাতা সংস্থাই হেলছিংকি ঘোষণাপত্ৰ জাৰি কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল গোলকীয় জনসম্পৰ্ক উদ্যোগটোক নৈতিক আচৰণৰ একেখন মঞ্চৰ আওতালৈ অনা। PRCAI এ হেলছিংকি ঘোষণাপত্ৰৰ এই নীতিসমূহ মানি চলে—

১। প্ৰয়োজনীয় আইন অনুসৰি নৈতিকভাৱে কাম কৰা।

২। জনসম্পৰ্ক আৰু যোগাযোগৰ বিভিন্ন ক্ষেত্ৰত পেছাদাৰী মান অক্ষুন্ন ৰখা।

৩। কৰ্মচাৰী, সহকৰ্মী, গ্ৰাহক, সংবাদ মাধ্যম, চৰকাৰ আৰু জনসাধাৰণৰ প্ৰতি সত্যনিষ্ঠা, সততা আৰু স্বচ্ছতা প্ৰদৰ্শন কৰা।

৪। গ্ৰাহক, সংস্থা আৰু ব্যক্তিৰ গোপন তথ্যসমূহক সুৰক্ষা প্ৰদান কৰি তেওঁলোকৰ গোপনীয়তাৰ অধিকাৰ সুৰক্ষিত কৰা।

৫। উদ্যোগটোৰ মৰ্যাদা অক্ষুন্ন ৰাখি কৰ্তব্য পালনত সাৱধান হোৱা

৬। বিপথে পৰিচালিত কৰিব পৰা তথা প্ৰবঞ্চনামূলক কাৰ্যৰপৰা বিৰত থকা।

৭। ছ'চিয়েল মিডিয়াৰ ক্ষমতা সন্দৰ্ভত সজাগ হৈ দায়বদ্ধতাৰে ইয়াক ব্যৱহাৰ কৰা।

৮। ভুৱা বাতৰি প্ৰচাৰৰ পৰা বিৰত থকা।

৯। সস্থাৰ আচৰণবিধি মানি চলা,অন্য দেশৰ আচৰণবিধিক লৈ সচেতন হোৱা আৰু সকলো সময়তেপেছাদাৰী সন্মান প্ৰদৰ্শন কৰা।

১০। লিংগ, নৃগোষ্ঠী, মূল, ধৰ্ম, অক্ষমতা অথবা যিকোনো ধৰণৰ বৈষম্যৰ ভিত্তিত যাতে পেছাগত কৰ্তব্য পালনৰ দৰে অপৰাধ সংঘটিত নহয় প্ৰতি সজাগ হোৱা।



অগ্ৰগতি নীৰিক্ষন

প্ৰশ্ন নং ৪ ঃ PRCAI গঠনৰ আঁৰৰ ৭ টা জনসম্পৰ্ক সংস্থাৰ লিখা।

.....

.....

.....

.....

.....

.....




৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁঃ

এই অধ্যায়টিৰ গুৰুত্বপূৰ্ণ বিষয়সমূহত চকু ফুৰাও আহাচো—

- ৰীড্‌ছৰ ডিক্সনাৰী অৰ পাব্লিক ৰিলেছন্‌ছ অৰ্গেনাইজেশ্যনৰ মতে সমগ্ৰ বিশ্বত প্ৰায় ২০০ টা ৰাষ্ট্ৰীয় আৰু আঞ্চলিক জন সম্পৰ্ক সংস্থা আছে। তাৰ ভিতৰত আমেৰিকা জনসম্পৰ্ক সমিতি (PRSA) আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক (IPRA) আৰু ভাৰতীয় জনসম্পৰ্ক সমিতি অন্যতম।
- সংবিধান প্ৰণয়ন আৰু প্ৰথম আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক পৰিষদ গঠনেৰে ১৯৫৫ চনৰ পহিলা মে'ত লণ্ডনত আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক সস্থাই আনুষ্ঠআই-খভাৱে প্ৰতিষ্ঠা লাভ কৰিছিল। বৰ্তমান এই সস্থাই সমগ্ৰ বিশ্বজুৰি জনসম্পৰ্কৰ পেছাদাৰী ব্যক্তিসকলৰ আন্তঃৰাষ্ট্ৰীয় মঞ্চ গঠন কৰে।
- পেছাগতভাৱে জনসম্পৰ্কক বৃত্তি হিচাপে গ্ৰহণ কৰাসকলৰ ৰাষ্ট্ৰীয় সস্থা ভাৰতীয় জনসম্পৰ্ক সমিতিয়ে ১৯৫৮ চনত প্ৰতিষ্ঠা লাভ কৰে। জনসম্পৰ্কক এটা বৃত্তি হিচাপে স্বীকৃতি দিয়াৰ বিষয়টোৰ প্ৰসাৰ আৰু নীতিগত ব্যৱস্থাপনা বিষয়ককার্য হিচাপে ইয়াৰ লক্ষ্য আৰু সম্ভাৱনাসমূহৰ বিভিন্ন দিশ নিৰূপন কৰি জনসাধাৰণৰ মাজলৈ লৈ যোৱাই আছিল এই সমিতি গঠনৰ মুল উদ্দেশ্য।
- ১৯৬৮ চনৰ ২১ এপ্ৰিলত নতুন দিল্লীতপ্ৰথম সৰ্বভাৰতীয় জনসম্পৰ্ক সম্মিলন অনুষ্ঠিত হৈছিল। এই সম্মিলনত দেশৰ জনসম্পৰ্কৰ পেছাদাৰী ব্যক্তিসকলে জনসম্পৰ্কৰ ভূমিকা আৰু প্ৰসাৰৰ বিষয়ে বিতংকৈআলোচনা কৰিছিল। সম্মিলনৰ মূল বিষয়বস্তু আছিল 'পেছাদাৰী দৃষ্টিভংগী'। তেতিয়াৰে পৰাই পি এছ আৰ আয়ে ১৯৮২ চনত ব'ম্বেত অনুষ্ঠিত নবম বিশ্বজনসম্পৰ্ক সম্মিলনকে ধৰি ২৬ খন সৰ্বভাৰতীয় জনসম্পৰ্ক সম্মিলন অনুষ্ঠিত কৰিছে ।১৯৮২ চনৰ বিশ্ব নজসম্পৰ্ক সম্মিলনৰ মুল বিষয়বস্তু আছিল 'পাৰস্পৰিক নিৰ্ভৰশীল বিশ্ব। ১৯৯৮ চনৰ জানুৱাৰী মাহত ক'লকাতাত প্ৰথম এছিয় প্ৰশান্ত জনসম্পৰ্ক সমিতিৰ সম্মিলন অনুষ্ঠিত হৈছিল। ২০০২ চনত বাংগালোৰত আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক সম্মিলনৰ আয়োজন কৰা হৈছিল। ২১ এপ্ৰিলৰ দিনটো ৰাষ্ট্ৰীয় জনসম্পৰ্ক দিৱস হিচাপে পালন কৰা হয়।
- প্ৰথম সৰ্বভাৰতীয় জনসম্পৰ্ক সম্মিলনত পি আৰ এছ আয়ে জনসম্পৰ্কৰ আন্তঃৰাষ্ট্ৰীয় নৈতিক বিধিসমূহ গ্ৰহণ কৰিছিল। এই ১২ টা বিধি সমিত্তিৰ প্ৰতিগৰাকী সদস্যই মানি চলাটো বাঞ্ছলীয়।
- ভাৰতীয় জনসম্পৰ্ক পৰিষদ হ'ল জনসম্পৰ্ক, যোগাযোগ আৰু বিজ্ঞাপনৰ সৈতে জড়িত পেছাদাৰী লোকসকলৰ এটা অ-ৰাজনৈতিক আৰু লাভ অৰ্জন নকৰা গুৰুত্বপূৰ্ণ সংস্থা। ভাৰতত ক্ৰমাৎ বৃদ্ধি পাবলৈধৰা যোগাযোগ আৰু জনসম্পৰ্কৰ জনপ্ৰিয়তাকলৈ সজাগতা

বৃদ্ধিৰ বাবে পি আৰ চি আয়ে কাম কৰে।

- জনসংযোগৰ ক্ষেত্রখনৰ উদীয়মান ব্যক্তিসকলক সমর্থন আৰু উৎসাহিত কৰাৰ উদ্দেশ্য ২০০১ চনৰ ৪ অক্টোবৰত PRCAI প্রতিষ্ঠা কৰা হৈছিল।
- জনসম্পর্কৰ গুৰুত্ব আৰু বর্ধিত প্রভাৱলৈ চাই আন্তঃৰাষ্ট্রীয় যোগাযোগ পৰামর্শদাতা সংস্থাই হেলছিংকি ঘোষণাপত্র জাৰি কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল গোলকীয় জনসম্পর্ক উদ্যোগটোক নৈতিক আচৰণৰ একেখন মঞ্চৰ আওতালৈ অনা। PRCAI এ হেলছিংকি ঘোষণাপত্রৰ নীতিসমূহ মানি চলে।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Kaul, J.M. (1986) ; ,Public Relatiorls in India, (2nd Ed.), Kolkata : Noya Prakash
2. Reddi, C.V.N (2013). Effective Public Relations and Media Strategy. Second Edition. Prentice Hall India Learning Private Limited.



৬.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ২১ এপ্রিলৰ দিনটো ৰাষ্ট্রীয় জনসম্পর্ক দিৱস হিচাপে পালন কৰা হয়। কিয়নো ১৯৬৮ চনৰ এই দিনটোতে ভাৰতীয় জনসম্পর্ক সমিতিয়ে প্রথম সর্বভাৰতীয় জনসম্পর্ক সম্মিলন অনুষ্ঠিত কৰিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ জনসম্পর্কৰ সৈতে পেছাদাৰীভাৱে অথবা অন্য উপায়েৰে জড়িত যিকোনো ব্যক্তিয়ে ভাৰতীয় জনসম্পর্ক সমিতিৰ সদস্য হ'ব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ PRSI ৰ মুল উদ্দেশ্যসমূহ হ'ল—

- জনসম্পর্কক এটা বৃত্তি হিচাপে স্বীকৃতি প্রদানৰ বিষয়টোৰ প্রসাৰ।
- জনসম্পর্কৰ পেছাদাৰী ব্যক্তিসকলৰ উদ্দেশ্য, সম্পাৱনা আৰু কার্যকলাপ সন্দর্ভত সম্যক জ্ঞান দিব পৰাকৈ জনসাধাৰণক উপযুক্ত ব্যাখ্যা আগবঢ়োৱাৰ লগতে ইয়াৰ প্রসাৰ ঘটোৱা।
- জনসম্পর্ক বিষয়াসকলৰ মাজত উচ্চ মান ৰক্ষাৰ বিষয়টোৰ প্রসাৰ।
- জনসম্পর্কৰে জড়িতসকলৰ মু ল্যবোধ সন্দর্ভত ধাৰণা, অভিজ্ঞতা আৰু তথ্যৰ বিনিময়ত গুৰুত্ব আৰোপ।

- জনসম্পৰ্কৰ অধ্যয়ন আৰু গৱেষণাৰ বিকাশ সাধন।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ

PRCAI গঠনৰ আঁৰৰ ৭ টা সংস্থা হ'ল—

ক) কৰ্পৰেট ভয়চ-ৰেবাৰ শ্বেন্ডইক

খ) জেনেছিছ বাৰচন মাৰ্ষ্টেলাৰ

গ) হেনথাৰ এম এছ এল

ঘ) টেক্সট ১০০

ঙ) গুড ৰিলেছনছ ইণ্ডিয়া

চ) অগিলভি পি আৰ

ছ) ২০ ঃ ২০ মিডিয়া (বৰ্তমান ২০ ঃ ২০ এম এছ এল)



৬.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ আন্তঃৰাষ্ট্ৰীয় জনসম্পৰ্ক সস্থা কেতিয়া গঠন হৈছিল? ইয়াৰ মুখ্য উদ্দেশ্য কি?

প্ৰশ্ন ২ ঃ ভাৰতৰ জনসম্পৰ্কৰ দিশটো চোৱা-চিতা কৰা তিনিটা মুখ্য সংস্থা অথবা পেছাদাৰী সংস্থা কি কি?

প্ৰশ্ন ৩ ঃ PRSI ৰ ভাৰ্চুৱেল ব্লগ ই- আলোচনীখনৰ নাম কি? এই আলোচনীখনত কি থাকে?

(খ) চুটি প্ৰশ্নঃ (প্ৰায় ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ জনসম্পৰ্ক সংস্থা গঠনৰ প্ৰয়োজনীয়তা কি?

প্ৰশ্ন ২ ঃ জনসম্পৰ্কৰ পেছাদাৰী সংস্থা এটাই কি ভূমিকা পালন কৰে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ PRSI কিয় গঠন কৰা হৈছিল? প্ৰথম সৰ্বভাৰতীয় জনসম্পৰ্ক সন্মিলনৰ বিষয়ে বহলাই লিখা।

প্ৰশ্ন ২ ঃ PRSI আৰু PRCAI ৰ গঠন আৰু ভূমিকা সন্দৰ্ভত লিখক।

****